# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-08-2025
**Time :** 2125 Hrs

# *Assamese Night Bulletin*

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা নৱেম্বৰৰ শেষৰফালে ৰাজ্যৰ বিভিন্ন জিলাৰ **১১** হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিবেশন কৰিব। **১০** হাজাৰ মহিলা নৃত্যশিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পীয়ে পৰিবেশন কৰিবলগীয়া এই অনুষ্ঠানটোক **বাগুৰুম্বা দ'হৌ** ৰূপে নামকৰণ কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি জনতা ভৱনত অনুষ্ঠিত এখন সভাত বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰস্তাৱিত নৃত্যানুষ্ঠানটিৰ বিষয়ে আলোচনা কৰাৰ লগতে বিশেষজ্ঞসকলে অনুষ্ঠানটিৰ বাবে প্ৰস্তুত কৰা সংগীতত অনুমোদন জনায়। উল্লেখযোগ্য যে , বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানৰ বাবে অহা দুমাহৰ ভিতৰতে শিল্পী, ওজা, প্ৰশিক্ষক আদি চূড়ান্ত কৰা হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য নায়াধীশ বি. আৰ. গাৱাই আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইটানগৰত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য নায়াধীশ আশুতোষ কুমাৰে সংগ দিব। কাইলৈ মুখ্য নায়াধীশ বি. আৰ. গাৱায়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ইটানগৰ স্থায়ী বেঞ্চৰ নৱনির্মিত ভৱনটি উদ্বোধন কৰিব।

ooooo

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সাংসদ গৌৰৱ গগৈয়ে আজি তিনিচুকীয়াত উপস্থিত হৈ মটক ৰজা সৰ্বানন্দ সিংহ, বীৰ ৰাঘৱ মৰাণক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তাৰপাছতেই সাংসদগৰাকীয়ে গোলাপ চন্দ্ৰ-ৰবি চন্দ্ৰ নাট্য মন্দিৰত অনুষ্ঠিত এখন কংগ্ৰেছৰ যোগদান সভাত অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি কোনো এটা কামেই কৰিব নোৱাৰিলে বুলি বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, যে জনজাতিকৰণ, চাহ বাগিচাত বিনামূলীয়া বিজুলী যোগান, বিশুদ্ধ খোৱাপানী যোগান আদি বিষয়সমূহ চালেই বৰ্তমানৰ চৰকাৰখনে কি কাম কৰিছে সেয়া স্পষ্ট হৈ পৰে। উল্লেখযোগ্য যে, আজি গৌৰৱ গগৈৰ উপস্থিতত

তিনিচুকীয়াত ৩ শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। যোগদান সভাৰ পাছতেই সাংসদ গগৈয়ে শদিয়াৰ প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ বাসগৃহলৈ যায়।

ooooo

ব্ৰিটিছ ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিশুৰ পৰা বৃদ্ধলৈ অগণন লোকে আন্দোলনত স্বতস্ফূৰ্তভাৱে অংশ লৈছিল। আন্দোলনত শ্বহীদ হোৱা বুলি তথ্য থকাসকলৰ বাহিৰেও অগণন বীৰ সেনানীয়ে দেশৰ হকে উত্তৰ-পূৰ্বাঞ্চলৰ পৰাই ৰণ কৰিছিল। সেই সমৃদ্ধ ইতিহাসক সামৰি বিস্তৰ গৱেষণাৰ থল আছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক আলোচনাত অংশলৈ Untold Stories of the Freedom struggle from North East Indiaৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপে এই কথা প্ৰকাশ কৰে। অনুষ্ঠানটোত ড° কাশ্যপে অসমৰ উপৰি উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰে স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশলোৱা কেইবাগৰাকীও বীৰ সেনানীৰ বিষয়ে উল্লেখ কৰে। তেওঁ ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ পৰা আৰম্ভ কৰি ভাৰত ত্যাগ আন্দোলন আৰু স্বাধীনতা লাভৰ সময়লৈকে সামৰি সেই অঞ্চলৰ লোকৰ আন্দোলনৰ সম্যক বিশ্লেষণ দাঙি ধৰে। তেওঁ নতুন প্ৰজন্মক এই সমৃদ্ধ ইতিহাসৰ বিষয়ে আগ্ৰহী হৈ অধ্যয়ন কৰিবলৈ আহ্বান জনায়।

ooooo

তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষানে আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। বিধায়কগৰাকীয়ে সকলোকে নিজ নিজ কৰ্মক্ষেত্ৰত সফলতা কামনা কৰি উৎসাহ প্ৰদান কৰে। তেওঁ কয়, যে কাৰোবাক এই ক্ষেত্ৰত প্ৰশিক্ষণ বা পৰামৰ্শৰ আৱশ্যক হ'লে তাৰো ব্যৱস্থা কৰা হ'ব। অনুষ্ঠানত জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহাপ্ৰৱন্ধক, জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ প্ৰথম পৰ্যায়ত ১২শ ৬ জন হিতাধিকাৰী নিৰ্বাচিত হৈছে। তেওঁলোকে ইতিমধ্যে প্ৰথম কিস্তিত বিভিন্ন উদ্যমিতাৰ প্ৰকল্পৰ বাবদ ১ লাখ টকা লাভ কৰিছে।

ooooo

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছ পৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি চিলাপথাৰত অনুষ্ঠিত সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ ধেমাজি জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মুকলি সভাত অংশগ্ৰহণ কৰিয়েই

মন্ত্ৰীগৰাকীয়ে নতুন শিক্ষা নীতি আৰু ২১ শতিকাৰ দক্ষতা ভিত্তিক শিক্ষাৰ প্ৰাসংগিকতাৰ ওপৰত মত বিনিময় কৰে আৰু ইয়াৰ ভিত্তিত শিক্ষাৰ্থীসকলক আগবঢ়াই লৈ যাবলৈ সকলোকে আহ্বান জনায়।

০০০০০

শৰাইঘাটৰ পুৰণি দলংখন আজি নিশা ১০ বজাৰপৰা কাইলৈ পুৱা ৫ বজালৈ বন্ধ ৰখা হ ’ব। মেৰামতিৰ কামৰ বাবে এই সময়ছোৱাত দলংখনেৰে যাতায়াত বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে , দলংখনৰ বিভিন্ন স্থানত হোৱা গাঁতৰ পৰিপ্ৰেক্ষিতত বিগত বহুদিন ধৰি যান-জঁটৰ সৃষ্টি হৈ আহিছে। এই সময়ছোৱাত সামগ্ৰী আৰু যাত্ৰী পৰিবাহী সকলো বাহনৰ চলাচল দলংখনেৰে বন্ধ থাকিব বুলি গুৱাহাটী যান-বাহন শাখাৰ আৰক্ষী আয়ুক্তই এখন বিবৃতিযোগে প্ৰকাশ কৰিছে।

০০০০০

## সমাপ্ত